**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-07-2025 **Time :** 07-55 Hrs.

**<u>Assamese Morning Bulletin</u>**

ৰাজ্যৰ বান আৰু খৰাংপীড়িত কেইবাখনো জিলাৰ পৰিস্থিতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে জিলাসমূহ ভ্ৰমণ কৰিব। নতুন দিল্লীৰ কৃষি ভৱনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাৰ বৈঠকৰ সময়ত কালি শ্ৰী চৌহানে এই বিষয়ে আশ্বাস দিয়ে। বৈঠকত মন্ত্ৰী শ্ৰীবৰাই অসমৰ কৃষকসকলে সম্প্ৰতি সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে তেওঁক অৱগত কৰে। ৰাজ্যৰ কেইবাখনো জিলা বানত ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে বহু অঞ্চলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই প্ৰাকৃতিক দুৰ্যোগে কৃষকসকলৰ লগতে গ্ৰাম্য অৰ্থনীতিত পেলোৱা প্ৰভাৱ সম্পৰ্কেও মন্ত্ৰীগৰাকীয়ে শ্ৰীচৌহানৰ সৈতে আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষি মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় চৰকাৰৰ সংকটৰ সময়ত অসমৰ কৃষকসকলৰ কাষত থাকিব বুলি আশ্বাস দিয়ে। তেওঁ শীঘ্ৰে ৰাজ্যত বান আৰু খৰাঙত ক্ষতিগ্ৰস্ত জিলাসমূহ ভ্ৰমণ কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। এই বৈঠকত ৰাজ্যখনত কেতবোৰ শস্যৰ জাতৰ বিষয়ত অধিসূচনা জাৰি নকৰাৰ গুৰুত্বপূৰ্ণ বিষয়টো মন্ত্ৰীগৰাকীয়ে উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ কৃষকসকলৰ সুবিধাৰ্থে ৰাজমাহ, মচুৰ দাইল, ৰহৰ দাইল, সূৰ্যমুখী ফুল, নহৰু আৰু পিঁয়াজকে ধৰি কেইবাবিধো শস্যৰ অধিসূচনা জাৰিৰ ব্যৱস্থা ল'বলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদক নিৰ্দেশ দিয়ে। এই বৈঠকত কৃষি মন্ত্ৰীগৰাকীয়ে ফচল বীমা যোজনাৰ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰে। কৃষকসকলক সহজে বীমাৰ সুবিধা দিবলৈ বাধ্যতামূলক ডিজিটেল কৃষক পঞ্জীয়নৰ ব্যৱস্থা কিছু শিথিল কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তদুপৰি উত্তৰ-পূবৰ বাবে মিছন অৰ্গেনিক ভেলু চেইন ডেভেলপমেণ্ট আঁচনিখনৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰাৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত কেন্দ্ৰীয় কৃষি সচিব দেবেশ চতুৰ্বেদী প্ৰমুখ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

00000000

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এতিয়ালৈকে কমেও ৩০ জন লোকৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে। স্বাস্থ্য বিভাগে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক সজাগতা কাৰ্যসূচী লৈছে। ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ পৰা পোৱা তথ্য অনুসৰি জিলাখনত ৪ জন ৰোগীক এই ৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। অৱশ্যে কোনো লোকৰ এই ৰোগৰ ফলত প্ৰাণ হানি হোৱা নাই। হাস্পতালখনত উজনি অসমৰ অন্য জিলাৰ ৬ জন ৰোগী চিকিৎসাধীন হৈ আছে বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাত এই ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশ আৰু পৰামৰ্শ প্ৰদান কৰে। জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগক বিশেষ ব্যৱস্থা ল'বলৈ তেওঁ আহ্বান জনায়।

00000000

ৰাজ্যত কূটাঘাত সংঘটিত কৰাৰ উদ্দেশ্যে সংগঠিত হোৱা সাতজন লোকক কালি শোণিতপুৰ আৰক্ষীয়ে কৰায়ত্ত কৰে। আৰক্ষীয়ে লোককেইজনৰ পৰা দুটা অত্যাধুনিক পিষ্টল, দুটা মেগজিন, দুটা হস্তনির্মিত বন্দুক আৰু বুজন পৰিমাণৰ অন্য অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই প্ৰকাশ কৰা অনুসৰি আৰক্ষীয়ে চি আৰ পি এফৰ সহযোগত চলোৱা এই অভিযানত লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। এই লোককেইজনে অসম-অৰুণাচল সীমান্তত তথা জিলাখনৰ চপাই নদীৰ সমীপত নির্মাণ কৰা এটা অস্থায়ী শিবিৰো আৰক্ষীয়ে উৎখাত কৰে। শিবিৰটোৰ পৰাও আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ তথা আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিছে। এই লোককেইজন পূৰ্বে কোনো উগ্ৰপন্থী সংগঠন নাইবা অপৰাধজনিত ঘটনাৰ সৈতে জড়িত আছিল নেকি, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ধৃত লোককেইজন গাব্ৰা বসুমতাৰী, ৰোহিত বসুমতাৰী, আখেব বসুমতাৰী, ৰুবুল বড়ো, আফতাৰচন নাৰ্জাৰী, আঞ্চুলা ইছলাৰী আৰু ফিলিপ বসুমতাৰী বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

০০০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ ঘাহিগাঁৱৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এটা ভয়ংকৰ দুৰ্ঘটনাত ৪৫ জন যাত্ৰীৰ কথমপি প্ৰাণ ৰক্ষা পৰে। এখন নৈশ বাছ আৰু হাইড্ৰা ক্ৰেনৰ মুখামুখিকৈ লগা খুন্দাত বাছখনৰ সন্মুখভাগ চূৰ্ণবিচূৰ্ণ হৈ পৰে। বাছখনৰ যাত্ৰীসকল দুৰ্ঘটনাত আহত হোৱাৰ পৰা ৰক্ষা পৰে যদিও চালক আৰু সহ-চালকজন আঘাতপ্ৰাপ্ত হোৱাত দুয়োকে গহপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। হাইড্ৰা ক্ৰেনখন ৰাষ্ট্ৰীয় ঘাইপথত ভুল দিশেৰে ঘূৰাবলৈ লওতে দুৰ্ঘটনাটো ঘটা বুলি প্ৰত্যক্ষদৰ্শয়ে জানিবলৈ দিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ বিয়লি শদিয়া  মহকুমাৰ ছপাখোৱাৰ বুঢ়া-বুঢ়ী শালত আয়োজিত এটা ধৰ্মীয় অনুষ্ঠানতো ভাগ ল'ব।

০০০০০০০০

যোৰহাটৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত কালি জিলা পথ সুৰক্ষা সমিতি আৰু ৰাষ্ট্ৰীয় নিচাযুক্ত দ্ৰব্য সমন্বয়ক কেন্দ্ৰৰ জুন মাহৰ মাহেকীয়া বৈঠকখন অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত  বৈঠকখনত ড্ৰাগছৰ সৰবৰাহ আৰু অপব্যৱহাৰ প্ৰতিহত কৰিবলৈ  বিভিন্ন কাৰ্যপন্থা নিৰ্ধাৰণ সন্দৰ্ভত বিতংকৈ আলোচনা কৰাৰ উপৰি পথ সুৰক্ষাৰ বিভিন্ন দিশতো আলোকপাত কৰা হয়।

০০০০০০০০

**সমাপ্ত**